No. of Printed Pages—4

745 (ASB)

[18–HRGPKAC–M1S (N)]

MA 1st Semester (New Course) Exam., 2018

ASSAMESE

[PGAS (S1) 01]

[অসমীয়া সাহিত্যৰ বুৰঞ্জী (আদিৰ পৰা মধ্য যুগলৈ)]

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

1. *(a)* তলৰ দিয়া প্ৰশ্নসমূহৰ অতি চমু উত্তৰ *এটা* বা *দুটা* বাক্যত লিখক : 1×8=8

(i) 'বনমালাৰ পৰ্বতীয়া তামৰ ফলি'খন কোন শতিকাৰ ?

(ii) মন্ত্ৰক সাধাৰণতে কেইটা আৰু কি কি ভাগত ভগাব পাৰি ?

(iii) 'শ্ৰীকৃষ্ণকীৰ্তন' পুথিখন সৰ্বমুঠ কেইটা খণ্ডত বিভক্ত আৰু কিমানটা শ্লোক আছে ?

(iv) 'মীনচেতন' পুথিখনৰ ৰচক কোন ?

(v) 'ভক্তি ৰত্নাৱলী' পুথিখন কেইটা বিৰচনত বিভক্ত ?

(vi) অনন্ত কন্দলিয়ে সংকলন কৰা স্মৃতিশাস্ত্ৰকেইখনৰ নাম লিখক।

(vii) 'পদ্মাপুৰাণ'ৰ বিষয়বস্তু কেইটা আৰু কি কি ভাগত বিভাজন কৰিব পাৰি বুলি নবীনচন্দ্ৰ শৰ্মাই মত পোষণ কৰিছে ?

(viii) গোপাল আতাই ৰচনা কৰা নাট তিনিখনৰ নাম লিখক।

(b) শুদ্ধ উত্তৰটো বাচি উলিয়াওক : 1×4=4

(i) 'পাঞ্চালিকা বিহাৰ' মানে

(1) কবিতা পাঠ

(2) নাটক

(3) পুতলা নাচৰ সৈতে নৃত্যগীতৰ অভিনয়

(4) কৌতুক

(ii) বজ্রযানৰ উদ্ভৱ হয়

(1) তৃতীয় শতিকাত

(2) সপ্তম শতিকাত

(3) চতুর্থ শতিকাত

(4) ষষ্ঠ শতিকাত

(iii) অসমীয়া ডাকৰ বচনৰ সন্নিৱিষ্ট নোহোৱো বিষয় হ'ল

(1) বর্ষাদি বর্ণন

(2) যাত্রা কথন

(3) কৃষি লক্ষণ

(4) নাট্য লক্ষণ

(iv) 'শাসন' মানে

(1) ৰজাই দিয়া তামৰ ফলি

(2) দ'ল দেৱালয়

(3) গড়-খাৱৈ

(4) কৰাৱোপণ ব্যৱস্থা

(c) খালী ঠাঁই পূৰণ কৰক : 1×4=4

(i) দুর্গাবৰ কায়স্থই ৰচনা কৰা 'পদ্মাপুৰাণ'খনক _____ নামেৰেও জনা যায়।

(ii) নাৰায়ণ দাস ঠাকুৰ আতাৰ পিতৃপ্রদত্ত নাম আছিল _____।

(iii) বিষয়বস্তুৰ পিনৰ পৰা চৰিত-পুথিসমূহক _____ টা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি।

(iv) অনন্ত আচাৰ্যই শংকৰাচাৰ্যৰ 'সৌন্দর্য্য লহৰী' পুথিখন অসমীয়ালৈ অনুবাদ কৰিছিল _____ নামেৰে।

2. তলৰ যি কোনো **পাঁচটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'লেখাৱলী' শব্দটোৰ অর্থ লিখক।

(b) অসমীয়া ভাষাৰ আদি ৰূপ কেতিয়াৰ পৰা, ক'ত, কেনেকৈ ৰক্ষিত হৈছিল ?

(c) মন্ত্র-সাহিত্যৰ উদ্ভৱকাল সম্পর্কে ডিম্বেশ্বৰ নেওগে আগবঢ়োৱা মতটো কি ?

(d) কামৰূপৰ চর্যাকাৰসকলৰ নাম লিখক।

(e) 'চৰিত' শব্দৰ অর্থই কি বুজায় ?

(f) অসমীয়া ছুফী সাহিত্য সম্পর্কে এটি টোকা লিখক।

3. তলৰ যি কোনো **চাৰিটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ১৫০ শব্দৰ ভিতৰত) : 3×4=12

(a) 'ডাকৰ বচন'ৰ তাৎপর্য ব্যাখ্যা কৰক।

(b) 'চর্যাপদ'ৰ অন্তর্নিহিত অর্থ আৰু বিষয়বস্তুৰ আভাস দিয়ক।

(c) অসমীয়া পাঁচালী সাহিত্যৰ চমু পৰিচয় দিয়ক।

(d) চৰিত-পুথি লিখা লিখকসকলৰ নামসমূহ একাদিক্রমে উল্লেখ কৰক।

(e) শংকৰোত্তৰ যুগৰ ৰামায়ণী সাহিত্য সম্পর্কে এটি আলচ যুগুত কৰক।

4. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 6×3=18

(a) বৌদ্ধ ধৰ্ম আৰু শূন্য পুৰাণৰ ধৰ্ম পূজাৰ মাজত সম্পৰ্ক নিৰূপণ কৰি ধৰ্ম পূজাৰ বিধান সম্পৰ্কে আলোচনা আগবঢ়াওক।

(b) মাধৱদেৱৰ আখ্যান কাব্যসমূহৰ তাৎপৰ্য আৰু সৌন্দৰ্য বিচাৰ কৰক।

(c) শ্ৰীধৰ কন্দলিৰ সাহিত্যৰাজিৰ বিষয়ে এটি টোকা লিখক।

(d) ''ৰামসৰস্বতী নামে কামে মহাভাৰতৰ কবি।'' এই মন্তব্যটিৰ আধাৰত ৰামসৰস্বতীৰ কাব্যকৃতিৰ আলোচনা কৰক।

5. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 8×3=24

(a) মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ অনুবাদৰীতি সম্পৰ্কে আলোচনা কৰি অসমীয়া সাহিত্যত তেওঁৰ স্থান নিৰ্ণয় কৰক।

(b) বৰগীতৰ বিষয়বস্তু, ভাষা আৰু প্ৰকাশভংগীৰ চাৰুতা বিশ্লেষণ কৰি এটি সমালোচনামূলক টোকা লিখক।

(c) শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰি এটি নাতিদীৰ্ঘ টোকা লিখক।

(d) অসমীয়া বুৰঞ্জী সাহিত্যৰ উদ্ভৱ আৰু বিকাশ দেখুৱাই এটি প্ৰবন্ধ যুগুত কৰক।

★★★